# REGIONAL NEWS UNIT
AKASHVANI GUWAHATI
0000000000

**Date : 12-07-2024**
**Time : 1845 Hrs**

## ASSAMESE EVENING BULLETIN

::::::::::::::::::::::::

১। উত্তৰ-পূবক দেশৰ উন্নয়নৰ দুৱাৰমুখ হিচাপে অভিহিত কৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বিশেষ কাৰ্যব্যৱস্থা গ্ৰহণ কৰিছে বুলি কেন্দ্ৰীয় যোগাযোগ আৰু উত্তৰ-পূব উন্নয়ন দপ্তৰৰ মন্ত্ৰী জ্যোতিৰাদিত্য সিন্ধিয়াৰ গুৱাহাটীত প্ৰকাশ।

২। ৰাজ্য চৰকাৰৰ জলদূত কাৰ্যসূচী কাৰ্যকৰী কৰিবলৈ স্বীকৃতিপ্ৰাপ্ত সকলো বিদ্যালয়লৈ কেন্দ্ৰীয় মাধ্যমিক শিক্ষা ব'ৰ্ডৰ নিৰ্দেশনা। চি বি এছ্ ইৰ এই পদক্ষেপৰ বাবে জলজীৱন মিছন, অসমক মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ প্ৰশংসা।

৩। ৰাজ্যৰ যোগাযোগ, আন্তঃগাঁথনি উন্নয়নৰ বাবে প্ৰধানমন্ত্ৰী গ্ৰাম চড়ক যোজনাৰ অধীনত কেন্দ্ৰীয় চৰকাৰৰ ৩৭৮ কোটি টকা আৱণ্টন।

৪। ওড়িশাৰ ভূবনেশ্বৰত অনুষ্ঠিত খেলো ইণ্ডিয়া মহিলা ভাৰোত্তোলন চেম্পিয়নশ্বিপত অসমৰ আইচেংফা গগৈৰ দুটা পদক অৰ্জন।

*আৰু*

৫। কোকৰাঝাৰত ৩০ জুলাইৰ পৰা ডুৰাণ্ড কাপ ফুটবল। তামুলপুৰত ডুৰাণ্ড কাপ ট্ৰফী প্ৰদৰ্শন।

ooooo

উত্তৰ-পূবক দেশৰ উন্নয়নৰ দুৱাৰমুখ হিচাপে অভিহিত কৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বিশেষ কাৰ্যব্যৱস্থা গ্ৰহণ কৰিছে বুলি কেন্দ্ৰীয় যোগাযোগ আৰু উত্তৰ-পূব উন্নয়ন দপ্তৰৰ মন্ত্ৰী জ্যোতিৰাদিত্য সিন্ধিয়াই আজি গুৱাহাটীত প্ৰকাশ কৰে। দুদিনীয়া ভ্ৰমণসূচীৰে অসম আৰু মেঘালয়লৈ অহা কেন্দ্ৰীয় ড'নাৰ মন্ত্ৰী শ্ৰী সিন্ধিয়াই বৰঝাৰৰ গোপীনাথ বৰদলৈ আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰৰ পৰা শ্বিলং অভিমুখে যাত্ৰা কৰিছে। মেঘালয়ৰ ৰাজধানী শ্বিলঙলৈ যোৱাৰ পূৰ্বে বিমান বন্দৰত কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয় যে, বিকশিত ভাৰত আৰু বিকশিত পূৰ্বোত্তৰৰ ভৱিষ্যদৰ্শী আঁচনিৰ লক্ষ্যৰে কেন্দ্ৰীয় চৰকাৰে উন্নয়নমূলক পদক্ষেপ গ্ৰহণ কৰিছে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে জনাই যে কেন্দ্ৰই ড'নাৰ মন্ত্ৰালয়ৰ বাজেট আৱণ্টন ২৪ হাজাৰ কোটিৰ পৰা প্ৰায় ৮২ হাজাৰ কোটিলৈ বৃদ্ধি কৰিছে। তেওঁ কয় যে উত্তৰ-পূব হৈছে আমাৰ পুৰণি সংস্কৃত আৰু সংস্কাৰৰ ভঁৰাল। কেন্দ্ৰীয় চৰকাৰে আন্তঃগাঠনি, সংযোগ, স্বাস্থ্যসেৱা, শিক্ষা, ষ্টাৰ্টআপ, উদ্যোগীকৰণ আৰু পৰ্যটন উন্নয়নৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে। কাইলৈ মন্ত্ৰীগৰাকীয়ে গুৱাহাটীৰ নেডফি হাউচ পৰিদৰ্শন কৰি বিষয়াসকলৰ সৈতে উদ্যোগীকৰণ আৰু ষ্টাৰ্টআপক অধিক

প্ৰসাৰিত কৰাৰ উপায়ৰ বিষয়ে আলোচনা কৰিব। উল্লেখযোগ্য যে কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে ভ্ৰমণৰ সময়ছোৱাত ড'নাৰ মন্ত্ৰালয়ৰ বিষয়াবৰ্গ, উত্তৰ-পূব পৰিষদ আৰু ৰাজ্য চৰকাৰৰ শীৰ্ষ বিষয়াৰ সৈতে পৰ্যালোচনা বৈঠকত মিলিত হ'ব। মন্ত্ৰীগৰাকীয়ে NERACE শীৰ্ষক এটা এপ্লিকেচন মুকলি কৰাৰ লগতে উত্তৰ-পূব পৰিষদৰ অন্য বিষয়াবৰ্গৰ সৈতে মত বিনিময় কৰিব।

০০০০

কেন্দ্ৰীয় মাধ্যমিক শিক্ষা ব'ৰ্ড চমুকৈ চি বি এছ্ ইয়ে তেওঁলোকৰ অধীনৰ সকলো বিদ্যালয়ত অসম চৰকাৰৰ চিন্তাৰ ফচলস্বৰূপ  জলদূত কাৰ্যসূচী কাৰ্যকৰী কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে। এই সন্দৰ্ভত চি বি এছ্ ইৰ শৈক্ষিক বিভাগৰ সঞ্চালকে প্ৰতিখন স্বীকৃতিপ্ৰাপ্ত বিদ্যালয়ৰ প্ৰধানলৈ পত্ৰ প্ৰেৰণ কৰে। পত্ৰখনত অসম জলজীৱন মিছনক প্ৰশংসা কৰি জলদূত কাৰ্যসূচী ৰূপায়ণ কৰাৰ বাবে উল্লেখ কৰা হয়। চি বি এছ্ ইয়েএই পদক্ষেপ গ্ৰহণ কৰাত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই জলজীৱন মিছন, অসমক ধন্যবাদ জ্ঞাপন কৰে। এই ব্যৱহাৰিক কাৰ্যসূচীয়ে শিক্ষাৰ্থীকসকলক পানী সংৰক্ষণৰ বাবে সামূহিক প্ৰচেষ্টাত উদগণি যোগাব বুলি তেওঁ আশা প্ৰকাশ কৰে।

০০০০

ৰাজ্যৰ বান পৰিস্থিতি ক্ৰমাৎ উন্নত হ'লেও বৰ্তমানেও ২৬খন জিলাৰ প্ৰায় ১৪ লাখ লোক বানৰ কবলত আছে। অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণে জনোৱা তথ্য অনুসৰি এতিয়াও ৮৩টা ৰাজহ চক্ৰৰ দুহেজাৰ ৫৪৫ খন গাঁৱৰ বিস্তীৰ্ণ অঞ্চল বানত বুৰ গৈ আছে। এই বানত ৩৯ হাজাৰ হেক্টৰতকৈ অধিক কৃষিভূমি ক্ষতিগ্ৰস্ত হৈছে। শেহতীয়া বানত ৮৪ জন লোকে প্ৰাণ হেৰুৱাইছে।

চিৰাঙৰ কাকাৰাগাঁৱৰ কুজিয়া নৈত আজি এছ্ ডি আৰ এফ আৰু এন ডি আৰ এফে অভিযান চলাই এগৰাকী যুৱতীৰ মৃতদেহ উদ্ধাৰ কৰে। যুৱতীগৰাকী কালিৰ পৰা কুজিয়া নৈৰ বাঢ়নি পানীত পৰি নিৰুদ্দেশ হৈ আছিল। ইপিনে  লখিমপুৰ জিলাত বান কৰিস্থিতিৰ সামান্য উন্নত হৈছে। এই সন্দৰ্ভত আমাৰ লখিমপুৰৰ সংবাদদাতা **হিমাদ্ৰী দিহিঙীয়াই** এইদৰে কয়—

***ঃঃভইচঃঃ***

ৰাজ্য চৰকাৰে স্থাপন কৰা ২৯৯টা আশ্ৰয় শিবিৰত ৪১ হাজাৰতকৈ অধিক লোকে আশ্ৰয় লৈ আছে। এন ডি আৰ এফ, এছ্ ডি আৰ এফ, অগ্নিনিৰ্বাপক বাহিনী, আৰক্ষী আৰু দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ স্বেচ্ছাসেৱক সকলে বান ক্ষতিগ্ৰস্ত অঞ্চলত উদ্ধাৰ অভিযান অব্যাহত ৰাখিছে। ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰনে প্ৰকাশ কৰা মতে, নগাঁও জিলাৰ বান পৰিস্থিতি জটিল হৈ আছে। জিলাখনত ২০ হাজাৰ ৬১২টি শিশুসহ প্ৰায় ৭৯ হাজাৰ লোক ক্ষতিগ্ৰস্ত হৈছে। বাঢ়নী পানীয়ে নগাঁও জিলাৰ ৬টা ৰাজহ চক্ৰৰ অধীনৰ ১৮৪ খন গাঁও আৰু ১৮ হাজাৰ ২৩১ দশমিক ৮ হেক্টৰ কৃষিভূমি বুৰাই পেলাইছে।

এইবেলি বানত কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত ১০টা গঁড় সহ ১৭৪টা জীৱ-জন্তুৰ প্ৰাণ হানি হৈছে। উদ্যান কৰ্তৃপক্ষই প্ৰকাশ কৰা মতে ৰাষ্ট্ৰীয় উদ্যানখনৰ সামগ্ৰিক বান পৰিস্থিত ক্ৰমাৎ উন্নত হৈছে যদিও ৪৬টা বন শিৱিৰ আৰু উদ্যানখনৰ ভালেমান অংশ বানত বুৰ গৈ আছে।

ইপিনে জলসম্পদ বিভাগৰ মন্ত্ৰী পীযুষ হাজৰিকাই আজি পশ্চিম কাৰ্বি আংলং জিলাৰ টুম্পেপ্ৰঙত জিলাখনৰ বান, খহনীয়া প্ৰতিৰোধৰ বাবে ল'বলগীয়া ব্যৱস্থাসমূহৰ বিষয়ে পৰ্যালোচনা কৰে। জিলাখনত বান-খহনীয়া ৰোধৰ

বাবে বৈঠালাংছ' সমষ্টিত বাৰিষা শেষ হোৱাৰ লগে লগে ১৫ কিলোমিটাৰ নতুন মথাউৰি নিৰ্মাণ কৰা হ'ব বুলি মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। এই সন্দৰ্ভত অনুষ্ঠিত বৈঠকত কপিলী আৰু বৰাপানীত নিৰ্মাণ হ'বলগীয়া মথাউৰিৰ পৰ্যালোচনা কৰা হয়। বৈঠকত কাৰ্বি স্বায়ত্বশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য তুলিৰাম ৰংহাঙৰ লগতে সাংসদ অমৰছিং তিছ', বিধায়কদ্বয় ৰূপছিং টেৰন আৰু দৰছিং ৰংহাং উপস্থিত থাকে।

মন্ত্ৰী ডাঃ ৰণোজ পেগুৱেও আজি ধেমাজি জিলাৰ বানপীড়িত অঞ্চল পৰিদৰ্শন কৰে। মন্ত্ৰীগৰাকীয়ে জিলাখনৰ জয়ৰামপুৰ গাঁও পঞ্চায়তত উপস্থিত হৈ বান পৰিস্থিতিৰ বুজ লয়। গেৰমে নৈৰ বানে ক্ষতিগ্ৰস্ত কৰা জিলাখনৰ মধ্য মিংমাং গাঁও পঞ্চায়তত উপস্থিত হৈ বান পৰিস্থিতিৰ বুজ লয়।

০০০০

ৰাজ্যৰ জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাই বান পৰিস্থিতি পৰ্যালোচনা কৰাৰ বাবে আজি কৰিমগঞ্জ জিলা ভ্ৰমণ কৰে। আজি বিয়লিৰ ভাগত মন্ত্ৰীগৰাকীয়ে কৰিমগগঞ্জ চহৰত এটা বান আশ্ৰয় শিবিৰ পৰিদৰ্শন কৰি জনসাধাৰণৰ সা-সুবিধাৰ বুজ লয়। ইয়াৰ পাছতে মন্ত্ৰীগৰাকীয়ে জিলা আয়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত জিলাখনৰ বান পৰিস্থিতিৰ পৰ্যালোচনাৰ বাবে এখন বৈঠকত মিলিত হয়। বৈঠকত জিলা আয়ুক্তৰ লগতে জিলাৰ বিভিন্ন বিভাগৰ জ্যেষ্ঠ বিষয়াসকলৰ লগতে কেইবাগৰাকীও বিধায়ক উপস্থিত থাকে। ইয়াৰ পাছত আয়োজিত এখন সংবাদ মেলত তেওঁ কয় যে, ৰাজ্য চৰকাৰে বান শিবিৰত থকা জনসাধাৰণক খাদ্য যোগান সুনিশ্চিত কৰাৰ বাবে বিশেষ গুৰুত্ব দিছে। তেওঁ লগতে এসপ্তাহৰ ভিতৰত বানৰ ফলত জিলাখনত হোৱা ক্ষয়-ক্ষতিৰ সবিশেষ তথ্য সংগ্ৰহ কৰিবলৈ বিভাগসমূহক নিৰ্দেশ দিয়ে যাতে ১৫ আগষ্টৰ ভিতৰত বানত ক্ষতিগ্ৰস্ত জনসাধাৰণক সকলো ধৰণৰ ক্ষতিপূৰণ দিব পৰা যায়। মন্ত্ৰীগৰাকীৰ ভ্ৰমণকালত জিলা আয়ুক্তৰ লগতে জিলাখনৰ বিভিন্ন বিভাগৰ জ্যেষ্ঠ বিষয়াসকল, সাংসদ কৃপানাথ মাল্লা, অসম ৰাজ্যিক পৰিবহন নিগমৰ অধ্যক্ষ মিছন ৰঞ্জন দাসৰ লগতে কেইবাগৰাকীও বিধায়ক উপস্থিত থাকে।

০০০০

মাজুলী জিলা প্ৰশাসনে জিলাখনত বানৰ পাছত হ'ব পৰা সম্ভাব্য ৰোগৰ প্ৰতি লক্ষ্য ৰাখি বিশেষ সতৰ্কতা অৱলম্বন কৰিছে। ইয়াৰ অংশ হিচাপে জিলাখনৰ বিভিন্ন ঠাইত জনসাধাৰণৰ সুৰক্ষাৰ প্ৰতি লক্ষ্য ৰাখি স্বাস্থ্য শিবিৰৰ আয়োজন কৰিছে। আমাৰ সংবাদদাতাই জানিবলৈ দিয়া অনুসৰি জিলা স্বাস্থ্য বিভাগে প্ৰতিদিনে বিভিন্ন ঠাইত আয়োজন কৰা স্বাস্থ্য শিবিৰত ভালেমান জনসাধাৰণৰ স্বাস্থ্য পৰীক্ষা সম্পন্ন কৰিছে। ইয়াৰ উপৰিও ৰোগ প্ৰতিৰোধ সন্দৰ্ভত অৱগত  কৰাৰ বাবে জনসাধাৰণৰ মাজত বিশেষ সজাগতা সভাৰ আয়োজন কৰা হৈছে।

ইয়াৰ উপৰি বানত ক্ষতিগ্ৰস্ত জিলাখনৰ কৃষকসকলৰ প্ৰতি লক্ষ্য ৰাখি জিলা কৃষি বিভাগে ৰাষ্ট্ৰীয় কৃষি বিকাশ যোজনা ২০২৪-২৫ৰ অধীনত সমূহীয়া কঠিয়াতলীৰ বাবে যাৱতীয় পদক্ষেপ গ্ৰহণ কৰিছে। ইয়াৰ অংশ হিচাপ জেংৰাই কৃষি চক্ৰৰ অধীনত এডৰা কঠিয়াতলীত আজি দুটা উন্নত প্ৰজাতিৰ অধিক উৎপাদনক্ষম ধানৰ বীজ সিঁচা হৈছে। আজি কঠিয়াসিঁচা কাৰ্যসূচীত জিলাৰ কৃষি বিভাগৰ কেইবাগৰাকীও বিষয়া উপস্থিত থাকে।

০০০০

কেন্দ্ৰীয় চৰকাৰে ৰাজ্যৰ যোগাযোগ আন্তঃগাথনি উন্নয়নৰ বাবে প্ৰধানমন্ত্ৰী গ্ৰাম চড়ক যোজনাৰ অধীনত ৩৭৮ দশমিক ৬-৮ কোটি টকা আৱণ্টন দিছে। এই পুঁজিৰে ৫৬৩ দশমিক ৬-৭ কিলোমিটাৰ দৈৰ্ঘ্যৰ ৰাজ্যৰ ৭৮

টা পথ আৰু ১৪ খন পকী দলং নিৰ্মাণ কৰা হ'ব। গ্ৰামোন্নয়ন মন্ত্ৰালয়ে মোকলাই দিয়া এই ধনৰাশিৰ ফলত ৰাজ্যৰ গ্ৰামাঞ্চলৰ যোগাযোগ ব্যৱস্থা সুদৃঢ় হোৱাৰ লগতে অৰ্থনৈতিক বিকাশ ত্বৰান্বিত কৰাৰ ক্ষেত্ৰত বিশেষ অৰিহণা যোগাব বুলি আশা কৰা হৈছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ইয়াৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক কৃতজ্ঞতা জনাইছে। ড° শৰ্মাই কয় যে কেন্দ্ৰীয় চৰকাৰৰ এই বিনিয়োগে ৰাজ্যৰ গ্ৰাম্য অৰ্থনীতিক অধিক টনকিয়াল কৰিব। উল্লেখযোগ্য যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী নেতৃত্বাধীন কেন্দ্ৰীয় চৰকাৰে অসমৰ লগতে উত্তৰ-পূৰ্বাঞ্চলৰ সামগ্ৰিক বিকাশৰ বাবে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰি আহিছে।

০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি গোৱালপাৰা জিলাৰ শিমলিতোলাত সংঘটিত নাও দুৰ্ঘটনাস্থলী পৰিদৰ্শন কৰে। মুখ্যমন্ত্ৰীগৰাকীৰ লগতে দুৰ্ঘটনাত পানীত ডুবি নিহত হোৱা পৰিয়ালৰ কাষত উপস্থিত হৈ সমবেদনা জনায়। প্ৰতিগৰাকী নিহতৰ পৰিয়াললৈ মুখ্যমন্ত্ৰীগৰাকীয়ে চাৰি লাখ টকাৰ এককালীন সাহায্য প্ৰদান কৰে।

০০০০

কেন্দ্ৰীয় মীন মন্ত্ৰ্যালয়ে তামিলনাডুৰ মাডুৰাইত আজি আয়োজন কৰা ৰাষ্ট্ৰীয় স্তৰৰ মীন পালন গ্ৰীষ্মকালীন সন্মিলনত অসমৰ পৰা যোৱা প্ৰতিনিধি দলটোক মীন মন্ত্ৰী কেশৱ মহন্তই নেতৃত্ব প্ৰদান কৰে। কেন্দ্ৰীয় মীন, পশুপালন, দুগ্ধ উৎপাদন আৰু পঞ্চায়তীৰাজ মন্ত্ৰী ৰাজীৱ ৰঞ্জন সিঙৰ অধ্যক্ষতাত এদিনীয়াকৈ অনুষ্ঠিত এই সন্মিলনত মীন পালন সন্দৰ্ভত গুৰুত্বপূৰ্ণ আলোচনা কৰা হয়। সন্মিলনত অসমক মৎস্য উৎপাদনৰ ক্ষেত্ৰত স্বনিৰ্ভৰশীল ৰাজ্য হিচাপে বিকশিত কৰাৰ দিশত ৰাজ্য চৰকাৰে গ্ৰহণ কৰা পদক্ষেপসমূহৰ বিষয়ে মন্ত্ৰী শ্ৰী মহন্তই কেন্দ্ৰীয় মীন মন্ত্ৰ্যালয়ক দৃষ্টি গোচৰ কৰে। অসমক সঠিক মাত্ৰাৰ প্ৰটিনযুক্ত গুণগতমানৰ মাছ উৎপাদন সুনিশ্চিত কৰাৰ বাবে পৰ্যাপ্তভাৱে মাছৰ পোনা আৰু মাছৰ খাদ্যৰ ব্যৱস্থা কৰিব পৰাকৈ অধিক সংখ্যক ব্ৰুডিং চেণ্টাৰ স্থাপন কৰাৰ ওপৰত মন্ত্ৰীগৰাকীয়ে গুৰুত্ব আৰোপ কৰে। এই সন্দৰ্ভত বিশেষ সহযোগিতা আগবঢ়াবলৈ তেওঁ কেন্দ্ৰীয় চৰকাৰক অনুৰোধ জনায়। উল্লেখযোগ্য যে সন্মিলনত অসমৰ হৈ মীন মন্ত্ৰী মহন্তৰ লগতে ৰাজ্যৰ মীন সঞ্চালক গৌৰীশংকৰ দাস আৰু উপ-সঞ্চালক চন্দন চেত্ৰীয়ে অংশগ্ৰহণ কৰে।

০০০০

দিব্যাংগ সবলীকৰণ বিভাগে দিব্যাংগসকলৰ সক্ষমতা বৃদ্ধিৰ বাবে কাম কৰি থকা সংস্থাসমূহক ৰাষ্ট্ৰীয় পুৰস্কাৰৰ আবেদন প্ৰক্ৰিয়াৰ বাবে আমন্ত্ৰণ জনাইছে। সামাজিক ন্যায় আৰু অধিকাৰিতা বিভাগে দিব্যাংগসকলৰ উদ্দেশ্যে কাম কৰা সংগঠনসমূহক উৎসাহিত কৰিবলৈ এই পুৰস্কাৰসমূহ প্ৰদান কৰা হ'ব বুলি প্ৰকাশ কৰে। প্ৰতি বছৰে ৩ ডিচেম্বৰত আন্তঃৰাষ্ট্ৰীয় দিব্যাংগ দিৱস উপলক্ষে বিশেষভাৱে সক্ষম লোকৰ উন্নতিৰ উদ্দেশ্যে কাম কৰা ব্যক্তি, সংস্থা, সংগঠন, ৰাজ্য আৰু জিলাসমূহক এই পুৰস্কাৰ প্ৰদান কৰি আহিছে। উল্লেখযোগ্য যে চলিত বৰ্ষৰ ৰাষ্ট্ৰীয় পুৰস্কাৰৰ বাবে ৩১ জুলাই পৰ্যন্ত অন লাইন আবেদন কৰিব পাৰিব।

০০০০

গুৱাহাটীত থকা মুখ্যমন্ত্ৰীৰ তদাৰকী কোষৰ কাৰ্যালয়ত তদাৰকী কোষৰ জিম্মাত থকা এটা অভিযুক্তক বিচাৰি আজি মণিপুৰ আৰক্ষীৰ এটা দল গুৱাহাটীলৈ আহে। উল্লেখযোগ্য যে মুখ্যমন্ত্ৰীৰ সাহায্য নিধিৰ ধন জালিয়াতিৰে আত্মসাৎ কৰাৰ চেষ্টা চলোৱাৰ অভিযোগত মুখ্যমন্ত্ৰীৰ তদাৰকী কোষে বিগত মাহৰ ২৭ তাৰিখে ৰাকেশ

সিং নামৰ অভিযুক্তটোক কলকাতাৰ পৰা গ্ৰেপ্তাৰ কৰিছিল। ইয়াৰ পাছতে বিশেষ ন্যায়াধীশৰ আদালতৰ নিৰ্দেশ অনুসৰি মুখ্যমন্ত্ৰীৰ তদাৰকী কোষে নিজৰ জিম্মাত লোৱা অভিযুক্ত সিঙৰ জিম্মাৰ ম্যাদ আজি অন্ত পৰাত পুনৰ আদালতত হাজিৰ কৰোৱা হয়। আমাৰ সংবাদদাতাই  জানিবলৈ দিয়া মতে অভিযুক্তটোৰে মণিপুৰতো জালিয়াতিৰে চৰকাৰী পুঁজি হৰলুকি কৰা ঘটনাৰ পৰিপ্ৰেক্ষিতত মণিপুৰৰ আৰক্ষী দলটোৱে আজি সোধা-পোচাৰ বাবে অভিযুক্তটোক জিম্মাত বিচাৰি আদালতত আবেদন দাখিল কৰিছে।

০০০০

ওড়িশাৰ ভূবনেশ্বৰত অনুষ্ঠিত খেলো ইণ্ডিয়া মহিলা ভাৰোত্তোলন চেম্পিয়নশ্বিপত অসমৰ আইচেংফা গগৈয়ে দুটা পদক অৰ্জন কৰিবলৈ সমৰ্থ হয়। আইচেংফাই ৫৫ কিলোগ্ৰাম য়ুথ শাখাত ৰূপৰ আৰু জুনিয়ৰ শাখাত ব্ৰঞ্জৰ পদক জয় কৰে।

০০০০

কোকৰাঝাৰৰ ভাৰতীয় ক্ৰীড়া প্ৰাধিকৰণৰ ষ্টেডিয়ামত অহা ৩০ জুলাইৰ পৰা ২৫ আগষ্টলৈ ১৩৩ সংখ্যক ডুৰাণ্ড কাপ ফুটবল প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। এই উপলক্ষে বিটিচিৰ ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগে বিটিআৰৰ ৫খন জিলাত আজিৰে পৰা ১৫ জুলাইলৈ ট্ৰফী ভ্ৰমণ আৰু প্ৰদৰ্শনৰ ব্যৱস্থা গ্ৰহণ কৰিছে। এই অভিযানৰ অংশ হিচাপে আজি তামুলপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত ডুৰাণ্ড কাপ ট্ৰফী ভ্ৰমণ কাৰ্যসূচীৰ আয়োজন কৰা হয়। ইয়াৰ পাছতে জিলা সদৰত ভাৰতীয় সেনা বাহিনী, ৰাজ্য চৰকাৰ আৰু বিটিআৰ প্ৰশাসনৰ উদ্যোগত প্ৰতিযোগিতাৰ ট্ৰফী প্ৰদৰ্শন কৰি এটা শোভাযাত্ৰা উলিওৱা হয়। ইয়াৰ পাছতে তামুলপুৰ উচ্চতম মাধ্যমিক বিদ্যালয় খেলপথাৰত তামুলপুৰ এফ চি আৰু পাটকীজুলি মাইনাও ক্লাবৰ মাজত এখন প্ৰদৰ্শনী ফুটবল খেল অনুষ্ঠিত হয়। কাৰ্যসূচীৰ অংশ হিচাপে কাইলৈ বাক্সা আৰু পৰহিলৈ কোকৰাঝাৰত ট্ৰফী প্ৰদৰ্শন কৰা হ'ব। আজিৰ অনুষ্ঠানত জিলা আয়ুক্ত বিদ্যুৎ বিকাশ ভাগৱতী, বিটিআৰৰ ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগৰ কাৰ্যবাহী সদস্য দাওবৈচা বড়ো, পৰ্যটন বিভাগৰ কাৰ্যবাহী সদস্য ধৰ্মনাৰায়ণ দাসকে ধৰি ভালেমান ব্যক্তি উপস্থিত থাকে।

০০০০

ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ পৰিষদ চমুকৈ বি চি চি আইয়ে ভাৰতীয় ক্ৰিকেট দলৰ শ্ৰীলংকা ভ্ৰমণৰ সূচী প্ৰকাশ কৰিছে। সূচী অনুসৰি পাল্লেকেলে আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট ষ্টেডিয়ামত ২৬, ২৭ আৰু ২৯ জুলাইত শৃংখলাৰ টি-টুৱেণ্টি খেল অনুষ্ঠিত হ'ব। ইয়াৰ পাছতে দলটোৱে  ১, ৪ আৰু ৭ আগষ্টত কলম্বোৰ আৰ প্ৰেমাদাসা আন্তঃৰাষ্ট্ৰীয় ষ্টেডিয়ামত ঘৰুৱা দলটোৰ বিৰুদ্ধে ৩ খন এদিনীয়া খেলত অৱতীৰ্ণ হ'ব। ভাৰতীয়  ক্ৰিকেট দলটো অহা ২২ জুলাইত শ্ৰীলংকাৰ উপস্থিত হ'ব। নৱনিযুক্ত মুখ্য প্ৰশিক্ষক গৌতম গম্ভীৰৰ অধীনত এয়া ভাৰতৰ প্ৰথম শৃংখলা হ'ব। অৱশ্যে এই ভ্ৰমণৰ বাবে ভাৰতীয় দলৰ খেলুৱৈসকলৰ নাম এতিয়াও ঘোষণা কৰা হোৱা নাই।

০০০০

সমাপ্ত